**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-12-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## ***HEADLINES***

১। চোৰাংচোৰা ব্যুৰ'ৰ শতবাৰ্ষিকী উপলক্ষে আয়োজিত বক্তৃতানুষ্ঠানত ভাগ লৈ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ইয়াক অদৃশ্য নায়কৰ সংস্থা বুলি অভিহিত কৰিছে।

২। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে দেশৰ বিদ্যালয়-মহাবিদ্যালয়ত কৃত্ৰিম বুদ্ধিমত্তাৰ পাঠ্যক্ৰম প্ৰৱৰ্তনৰ পোষকতা কৰিছে।

৩। সমগ্ৰ দেশতে আজি ৰাষ্ট্ৰীয় কৃষক দিৱস উদযাপন কৰা হৈছে।

৪। বাংলাদেশত সংঘটিত শেহতীয়া হিংসাত্মক ঘটনাৱলী সন্দৰ্ভত ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধান এণ্টনিঅ' গুটেৰেছে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে।

আৰু

৫। মহিলা ক্ৰিকেটৰ ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ ৫ খনীয়া টি-টুৱেণ্টী শৃংখলাৰ দ্বিতীখন খেল আজি বিশাখাপট্টনমত অনুষ্ঠিত হ'ব।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয় যে দেশবাসীক সুৰক্ষা প্ৰদান কৰাৰ লগতে দেশৰ ঐক্য আৰু সংহতি ৰক্ষাৰ ক্ষেত্ৰত চোৰাংচোৰা ব্যুৰোৱে অতি উচ্চমানৰ ভূমিকা পালন কৰি আহিছে। চোৰাংচোৰা ব্যুৰোৰ শতবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি নতুন দিল্লীত আজি আয়োজন কৰা ৩৮ সংখ্যক বক্তৃতানুষ্ঠানত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে বিগত দশকটোত চোৰাংচোৰা ব্যুৰো লেখিয়া নিৰাপত্তা সংস্থাসমূহে দেশত উদ্ভৱ হোৱা অসংখ্যক ভাবুকিক প্ৰতিহত কৰিছে।

দেশৰ আভ্যন্তৰীণ সুৰক্ষাৰ দিশটোৰ প্ৰতি চোৰাংচোৰা ব্যুৰোৱে আগবঢ়োৱা অসামান্য বৰঙণিৰ গভীৰ শলাগ লৈ ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে চোৰাংচোৰা ব্যুৰোক অদৃশ্য নায়কৰ সংস্থা বুলি অভিহিত কৰে। আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, গৃহ দপ্তৰৰ ৰাজ্যমন্ত্ৰী বণ্ডি সঞ্জয় কুমাৰ আৰু গৃহ সচিব গোৱিন্দ্ মোহনকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত আছিল। অনুষ্ঠানত আদৰণি ভাষণ দি চোৰাংচোৰা ব্যুৰোৰ সঞ্চালক তপন কুমাৰ ডেকাই কয় যে দেশৰ আভ্যন্তৰীণ নিৰাপত্তা শক্তিশালী কৰাৰ ক্ষেত্ৰত চোৰাংচোৰা ব্যুৰোৱে সদায়েই সন্মুখত অৱস্থান গ্ৰহণ কৰি আহিছে। দেশৰ সুৰক্ষাৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰা ভালেমান প্ৰত্যাহ্বানমূলক ঘটনাৰ সময়ত এনে ভাবুকিক চিনাক্ত কৰি এইবোৰক প্ৰতিহত কৰাৰ ক্ষেত্ৰত সংস্থাটোৰ বিষয়াসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে বুলিও তেওঁ প্ৰকাশ কৰে।

০০০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি কয় যে সামগ্ৰিক বিকাশ আৰু ৰাষ্ট্ৰীয় ক্ষেত্ৰত সংস্কাৰ সাধনৰ দিশত কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়েৰে আঁচনি যুগুত কৰা আৰু অভিযান কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত ভাৰত বিশ্বৰ

ভিতৰতে সক্ৰিয় দেশ হিচাপে পৰিগণিত হৈছে। কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ৰমবিকাশক বিষয়বস্তু হিচাপে লৈ নতুন দিল্লীত আয়োজিত **কৃত্ৰিম বুদ্ধিমত্তাৰ মহাকুম্ভ** শীৰ্ষক ৰাষ্ট্ৰীয় অভিৱৰ্তনত ভাষণ দি তেওঁ এইদৰে মত প্ৰকাশ কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে, বিভিন্ন সমস্যাক লৈ চিন্তা চৰ্চা আৰু সমাধানৰ উপায় উদ্ভাৱনৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক সমৰ্থবান কৰি তোলাৰ উদ্দেশ্যে বিদ্যালয় আৰু মহাবিদ্যালয়ত কৃত্ৰিম বুদ্ধিমত্তাৰ পাঠ্যক্ৰম প্ৰৱৰ্তনৰ বিষয়তো গুৰুত্ব আৰোপ কৰে।

ooooooooo

সমগ্ৰ দেশতে আজি ৰাষ্ট্ৰীয় কৃষক দিৱস উদযাপন কৰা হৈছে। দেশৰ বিকাশ আৰু উন্নয়নৰ ক্ষেত্ৰত কৃষকসকলে আগবঢ়োৱা বৰঙণিৰ সন্মান স্বৰূপে প্ৰতিবছৰে আজিৰ এই দিনটো কৃষক দিৱস হিচাপে পালন কৰি অহা হৈছে। কৃষকৰ কল্যাণ আৰু গ্ৰাম্য বিষয় সন্দৰ্ভত থকা গভীৰ জ্ঞানৰ বাবে প্ৰাক্তন প্ৰধানমন্ত্ৰী চৌধুৰী চৰণ সিঙৰ জয়ন্তীৰ সৈতে সংগতি ৰাখি আজিৰ এই দিনটো ৰাষ্ট্ৰীয় কৃষক দিৱস হিচাপে পালন কৰা হয়। দেশৰ উন্নতিত মুখ্য ভূমিকা গ্ৰহণ কৰা কৃষকসকলৰ ত্যাগৰ স্বীকৃতি আৰু তেওঁলোকৰ সন্মানত প্ৰতি বছৰে এই দিৱস পালন কৰি অহা হৈছে। কেন্দ্ৰীয় কৃষি তথা কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে জয়ন্তী উপলক্ষে প্ৰাক্তন প্ৰধানমন্ত্ৰী চৌধুৰী চৰণ সিঙৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁ কয় যে চৌধুৰী চৰণ সিঙে তেওঁৰ সমগ্ৰ জীৱন কৃষকৰ কল্যাণ আৰু উন্নত তথা আত্মনিৰ্ভৰ ভাৰত নিৰ্মানত উচৰ্গা কৰিছিল।

ৰাষ্ট্ৰীয় কৃষক দিৱস উপলক্ষে কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ বিভাগৰ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে দেশৰ অন্নদাতা কৃষকসকলৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। সামাজিক মাধ্যমত এটা পোষ্টৰ জৰিয়তে শ্ৰী যোশীয়ে কয় যে কৃষকসকলে কঠোৰ পৰিশ্ৰম আৰু ত্যাগৰ জৰিয়তে দেশৰ মানুহক খাদ্য যোগান ধৰাই নহয়, দেশৰ আত্মাকো শক্তিশালী কৰি তুলিছে। জনসাধাৰণ দেশৰ প্ৰকৃত ৰাজহাড় স্বৰূপ কৃষকসকলৰ প্ৰতি সদায় কৃতজ্ঞ বুলি তেওঁ প্ৰকাশ কৰে।

কৃষকৰ মুখ্য ভূমিকাক স্বীকৃতি দি চৰকাৰে তেওঁলোকৰ সামাজিক, অৰ্থনৈতিক দিশসমূহক সমৰ্থন কৰাৰ লগতে বহনক্ষম কৃষি বিকাশ নিশ্চিত কৰাৰ উদ্দেশ্যে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। সেইবোৰৰ ভিতৰত প্ৰধানমন্ত্ৰী কৃষক সন্মিলন নিধি, প্ৰধানমন্ত্ৰী ফচল বিমা আঁচনি আৰু প্ৰধানমন্ত্ৰী কিষান মনধন আঁচনি উল্লেখযোগ্য। ভাৰতৰ কৃষি খণ্ডত দেশৰ মুঠ জনসংখ্যাৰ আধা অংশই জড়িত হৈ থকাৰ লগতে দেশৰ অৰ্থনীতি আৰু ৰাষ্ট্ৰ নিৰ্মান প্ৰক্ৰিয়াত বিশেষ ভূমিকা গ্ৰহণ কৰিছে।

ooooooooo

চলিত বছৰটোত দেশত বৰ্তমানলৈ ৫৮০ লাখ হেক্টৰৰো অধিক পৰিমাণৰ ভূমিত ৰবি শস্যৰ বীজ সিঁচা হৈছে। বিগত বছৰটোৰ তুলনাত ৰবি শস্যৰ বাবে ব্যৱহৃত ভূমিৰ এই পৰিমাণ ৮ লাখ হেক্টৰৰো অধিক। কেন্দ্ৰীয় চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ পৰা এই তথ্য প্ৰকাশ কৰা হৈছে। যোৱা ১৯ ডিচেম্বৰলৈকে সামৰি লোৱা মন্ত্ৰালয়ৰ এই তথ্য অনুসৰি ঘেঁহু উৎপাদনৰ বাবে বিগত বছৰটোৰ এইখিনি সময়লৈ ৩ লাখ হেক্টৰ ভূমিত বীজ সিঁচা হৈছিল যদিও চলিত বছৰটোত বৰ্তমানলৈ এই পৰিমাণ ৩০১ লাখ হেক্টৰৰো অধিক হৈছেগৈ।

ooooooooo

বাংলাদেশত সংঘটিত শেহতীয়া হিংসাত্মক ঘটনাৱলী সন্দৰ্ভত ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধান এণ্টনিঅ' গুটেৰেছে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। এই সন্দৰ্ভত প্ৰকাশ কৰা এটা বাৰ্তাত দেশখনত বসবাস কৰা

সংখ্যালঘু সম্প্ৰদায়ৰ সকলো লোকেই নিজকে সুৰক্ষিত অনুভৱ কৰিব লাগিব বুলি তেওঁ মত প্ৰকাশ কৰে। হিন্দু লোকক নিৰ্বিচাৰে হত্যা কৰাকে ধৰি শেহতীয়া ঘটনাৱলীক লৈ ৰাষ্ট্ৰসংঘ উদ্বিগ্ন হৈ পৰা বুলি উল্লেখ কৰি আন্তঃৰাষ্ট্ৰীয় সংস্থাটোৱে, সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলৰ সুৰক্ষাৰ প্ৰতি গুৰুত্ব আৰোপ কৰে।

০০০০০০০০০

ঘূৰ্ণী বতাহ দিতৱাহে শেহতীয়াভাৱে শ্ৰীলংকাত চলোৱা বিস্তাৰ ক্ষয়ক্ষতিৰ পৰা দেশখন পুনৰনিৰ্মান কৰাৰ বাবে চলোৱা প্ৰচেষ্টাত ভাৰতে ৪৫০ মিলিয়ন ডলাৰৰ আৰ্থিক সাহায্য আগবঢ়াব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কলম্বোৰ সংবাদ মাধ্যমৰ আগত আজি এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে ভাৰতে এই সাহায্য দেশখনৰ অতি ক্ষতিগ্ৰস্ত অঞ্চলসমূহৰ পুনৰনিৰ্মানৰ বাবে আগবঢ়াব। এই আৰ্থিক সাহায্য পুনৰ সংস্থাপন, পথ, ৰেলপথ আৰু দলং সংযোগ তথা সম্পূৰ্ণৰূপে বা আংশিকভাৱে ক্ষতিগ্ৰস্ত ঘৰসমূহ পুনৰনিৰ্মানৰ কামত ব্যৱহাৰ কৰা হ'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অৰুণা কুমাৰা দিশানায়কক সাক্ষাৎ কৰি দেশখনত ঘূৰ্ণী বতাহৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পঠোৱা এখন পত্ৰও ৰাষ্ট্ৰপতিৰ হাতত অৰ্পণ কৰে।

০০০০০০০০০

বিকশিত ভাৰত নিয়োগ নিশ্চিতকৰণ আৰু জীৱিকা অভিযান গ্ৰামীণ বা জি ৰাম জি স্কীমৰ বাবে ১ লাখ ৫১ হাজাৰ কোটি টকাৰ অনুমোদনৰ প্ৰস্তাৱ লোৱা হৈছে। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে এটা ভিডিঅ' বাৰ্তাত এইদৰে কয়। মন্ত্ৰীগৰাকীয়ে কয় যে শ্ৰমিকসকলক পূৰ্বৰ ১০০ দিনৰ পৰিৱৰ্তে আইনগতভাৱে বৰ্তমান ১২৫ দিনৰ নিয়োগ নিশ্চিত কৰা হৈছে। এম জি এনৰেগা সন্দৰ্ভত দেশৰ জনসাধাৰণক বিপথে পৰিচালিত কৰাৰ অপচেষ্টা চলা বুলিও তেওঁ অভিযোগ উত্থাপন কৰে। তেওঁ কয় যে এই আঁচনিখন হৈছে এম জি এনৰেগাক আৰু এঢাপ আগুৱাই নিয়াৰ বাবে এটা প্ৰগতিশীল পদক্ষেপ। মন্ত্ৰী শ্ৰী সিঙে কয় যে এই আঁচনিখনে জল সংৰক্ষণৰ লগতে গ্ৰাম্য আন্তঃগাঁঠনি, জীৱিকা ভিত্তিক কাৰ্যকলাপ আৰু দুৰ্যোগ প্ৰতিৰোধ ব্যৱস্থা গ্ৰহণ কৰি এখন উন্নত আত্মনিৰ্ভৰ, দৰিদ্ৰতা মুক্ত আৰু নিয়োগমুখী পৰিৱেশ সৃষ্টি কৰাৰ প্ৰতি প্ৰয়াস চলোৱা হৈছে।

০০০০০০০০০

কেৰালাত চলি থকা বিশেষ পুংখানুপুংখ সংশোধনী প্ৰক্ৰিয়াৰ অংশ হিচাপে ৰাজ্যখনত আজি খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। যোৱা ১৮ ডিচেম্বৰ পৰ্যন্ত তালিকাভুক্তিকৰণ প্ৰপত্ৰত নাম অন্তৰ্ভুক্ত ভোটদাতাসকলে এই তালিকাত স্থান লাভ কৰিব। এই খচৰা তালিকা সন্দৰ্ভত দাবী আৰু ওজৰ-আপত্তিৰ প্ৰক্ৰিয়া আজি আৰম্ভ কৰাৰ লগতে তালিকাখনক লৈ শুনানি প্ৰক্ৰিয়াও আজি আৰম্ভ হ'ব বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে।

০০০০০০০০০

মহিলা ক্ৰিকেটত ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ পাঁচখনীয়া টি-২০ শৃংখলাৰ দ্বিতীয়খন খেল আজি বিশাখাপট্টনমত অনুষ্ঠিত হ'ব। ড০ ৱাই এছ ৰাজশেখৰ ৰেড্ডী এচিএ–ভিডিচিএ ষ্টেডিয়ামত হবলগীয়া খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। শৃংখলাটোত বৰ্তমানলৈ আয়োজক ভাৰতীয় দলটো ১–০ৰ ব্যৱধানত

আগবাঢ়ি আছে। হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে যোৱা দেওবাৰে বিশাখাপট্টনমতেই অনুষ্ঠিত প্ৰথমখন টি-২০ মেচত শ্ৰীলংকাক ৮ উইকেটত পৰাস্ত কৰিছিল।

০০০০০০০০০

ভূপালৰ এম পি ৰাজ্যিক শুটিং একাডেমীত চলি থকা ৬৮ সংখ্যক ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপত ভাৰতীয় নৌসেনা বাহিনীৰ অংকুশ যাদৱে সোণৰ পদক অৰ্জন কৰিছে। যাদৱে সুন্দৰ প্ৰদৰ্শনেৰে অলিম্পিয়ান অৰ্জুন বাবুটাক পৰাস্ত কৰি সোণৰ পদক অৰ্জন কৰে। আনহাতে ১০ মিটাৰ এয়াৰ ৰাইফলৰ পুৰুষৰ জুনিয়ৰত ফাইনেলত গুজৰাটৰ মহম্মদ মুৰ্টাতাজা ভেনিয়াই সোণৰ পদক অৰ্জন কৰাৰ বিপৰীতে পশ্চিমবংগৰ অভিনৱ শ্ব'ই ৰূপ আৰু কৰ্ণাটকৰ ওংকাৰ বিকাশ ৱাঘমাৰেই ব্ৰঞ্জৰ পদক দখল কৰে।

০০০০০০০০০

সমাপ্ত